**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 18-09-2025
**Time:** 12-05 Hrs

***Assamese Midday Bulletin***

বিটিচি নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণি পৰিবলৈ মাজত মাথো এটা দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। বিটিআৰৰ অন্তৰ্গত কোকৰাঝাৰ, চিৰাং, বাক্সা, তামুলপুৰ আৰু ওদালগুৰি জিলাত বিজেপিৰ লগতে ইউ পি পি এল, বিৰোধী দল কংগ্ৰেছ, বি পি এফ, অসম গণ পৰিষদে ভোটদাতাৰ মন আকৰ্ষণ কৰাৰ প্ৰয়াস চলাই আছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বাক্সা জিলাৰ দিহিৰাত দলৰ হৈ প্ৰচাৰ চলায়। মুখ্যমন্ত্ৰীগৰাকীয়ে ওদালগুৰি জিলাতো দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰত ভাগ লোৱাৰ কথা। ইপিনে ইউ পি পি এল দলৰ মূৰব্বী প্ৰমোদ বড়োৰে জিলাখনৰ কালিখোলাকে ধৰি কেইবাঠাইতো নিৰ্বাচনী সভা আৰু সমলদত অংশগ্ৰহণ কৰিব। জিলাখনৰ নিৰ্বাচনী প্ৰচাৰ সন্দৰ্ভত আমাৰ সংবাদদাতা নাৰায়ণ ডেকাই এইদৰে কয় –

**ভইচ (নাৰায়ণ ডেকা)**

জিলা প্ৰশাসনে প্ৰকাশ কৰা অনুসৰি এইবাৰ ওদালগুৰি জিলাৰ ১০টা পৰিষদীয় সমষ্টিৰ ৯৫৭টা ভোটগ্ৰহণ কেন্দ্ৰত ৭ লাখ ৪৩ হাজাৰ ৬৬২ গৰাকী ভোটদাতাই প্ৰাৰ্থীসকলৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। ইয়াৰ ভিতৰত ৩ লাখ ৬৭ হাজাৰ ৮৫৬ গৰাকী পুৰুষ, ৩ লাখ ৭৫ হাজাৰ ৮০০ গৰাকী মহিলা আৰু ছগৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে। দৰং, বিশ্বনাথ আৰু শোণিতপুৰ জিলাৰ মুঠ ৭১ খন গাঁৱকো এইবাৰ বিটিচিৰ ওদালগুৰি জিলাত অন্তৰ্ভুক্ত কৰা হৈছে। নিৰ্বাচন নিকা আৰু শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসনে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৭৫ সংখ্যক জন্মদিনৰ সৈতে সংগতি ৰাখি পালন কৰা সেৱা সপ্তাহৰ অংশ হিচাপে ৰাজ্যৰ সকলো জিলাতে ৰক্তদান শিবিৰৰ আয়োজন কৰা হৈছে। স্বাস্থ্য আৰু পৰিয়াল কল্যান বিভাগে অসম ৰাজ্যিক ৰক্ত সঞ্চৰণ পৰিষদৰ সহযোগত আয়োজন কৰা ৭৫ টা ৰক্তদান শিবিৰত সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকে উৎসাহেৰে অংশগ্ৰহণ কৰা পৰিলক্ষিত হৈছে। জ্যেষ্ঠ চৰকাৰী বিষয়া, কৰ্মচাৰী, নাগৰিক সমাজ সংস্থাৰ প্ৰতিনিধি আৰু সাধাৰণ ৰাইজ স্বেচ্ছাই ৰক্তদানৰ বাবে আগবাঢ়ি আহিছে। এই অভিযানৰ অধীনত বৰ্তমানলৈকে ৩ হাজাৰ ১৬৭ ইউনিট তেজ সংগ্ৰহ কৰা হৈছে। সেৱা সপ্তাহৰ লগত সংগতি ৰাখি আজি ৰাজ্যৰ গাওঁ, নগৰসমূহত ৩০ লাখৰো অধিক গছপুলি ৰোপণ কৰা হ'ব।

০০০০

ডিব্ৰুগড়ৰ যুৱ ব্যৱসায়ী বিতোপন বাউলাৰী নামৰ ৩২ বছৰীয়া যুৱকজন সোমবাৰৰ পৰা সন্ধানহীন হৈ আছে। ডিব্ৰুগড় মানকটা তেপৰগাওঁ চন্দন নগৰৰ দুৰ্গা বাউলাৰীৰ পুত্ৰ বিতোপনে সোমবাৰে নিশা কামত থকা বুলি ঘৰলৈ

ফোন কৰি খবৰ দিছিল। তাৰ পিছৰ পৰা পৰিয়ালৰ লগত সন্ধানহীন লোকজনৰ কোনো সংযোগ নাছিল। মঙলবাৰে ডিব্ৰুগড়ৰ মিলননগৰ আৰক্ষী চকীত গোচৰ দিয়াৰ পিছত আৰক্ষীয়ে বগীবিল দলঙৰ নিলগৰ পৰা বিতোপন বাউলাৰীৰ মটৰ চাইকেলখন উদ্ধাৰ কৰে। সন্ধানহীন বিতোপন বাউলাৰীৰ ডিব্ৰুগড়ৰ মিলন নগৰত ইলেকট্ৰনিক সামগ্ৰীৰ এখন ব্যৱসায়িক প্ৰতিষ্ঠান আছিল। যুৱকজনৰ সন্ধানহীন বাতৰিয়ে ডিব্ৰুগড় চহৰত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে।

০০০০

সেৱা পৰ্ব উপলক্ষে আকাশবাণী গুৱাহাটীয়ে প্ৰচাৰ কৰি থকা অনুষ্ঠানলানিৰ অংশ হিচাপে আজি বিয়লি ৩ বাজি ২ মিনিটত অৰ্থনৈতিক সংস্কাৰৰ জৰিয়তে প্ৰশাসনীয় প্ৰগতি বিষয়ক এটা আলোচনা প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানত বিশিষ্ট অৰ্থনীতিবিদ দেৱজিৎ মহন্তৰ সৈতে আলোচনাত অংশগ্ৰহণ কৰিব আকাশবাণী বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০

বিটিচি নিৰ্বাচনৰ প্ৰচাৰ অভিযান সন্দৰ্ভত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে পৰহিলৈ ২০ ছেপ্তেম্বৰৰ নিশা ৮ বাজি দুই মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত আমাৰ কোকৰাঝাৰ, চিৰাং, বাক্সা, তামুলপুৰ আৰু ওদালগুৰি জিলাৰ সংবাদদাতা কেইগৰাকীৰ লগতে বি টি চিৰ ভোটগ্ৰহণ কেন্দ্ৰ থকা বিশ্বনাথ জিলাৰ সংবাদদাতাগৰাকীয়েও অংশগ্ৰহণ কৰিব। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে আঁত ধৰিবলগীয়া এই আলোচনাত সাংবাদিক অৰূপ শান্দিল্যইও ষ্টুডিঅ'ৰ পৰা আমাৰ সংবাদদাতাসকলৰ সৈতে আলোচনাত ভাগ ল'ব।

০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ

....................................